সত্যনিষ্ঠ সাংবাদিকতাত উৎসৰ্গিত

ৱাহাটী, যোৰহাট আৰু লখিমপুৰৰ পৰা প্ৰকাশিত

# আমাৰ অসম

ৱাহাটী □ সোমবাৰ □ ১৭ জেঠ ১৯৩৭ শক □ ১ জুন ২০১৫ □ উনবিংশ বছৰ □ সংখ্যা ৪২ □ মূল্য ঃ ৭·০০ টকা ★

## গুৱাহাটীত স্থাপন হ'ব ইনষ্টিটিউট অৱ কোম্পানী ছেক্ৰেটাৰী অৱ ইণ্ডিয়াৰ শাখা

বেলতলাৰ প্ৰতিবেদক, ৩১ মে' ঃ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি লক্ষ্য ৰাখি অচিৰেই গুৱাহাটীত স্থাপন কৰিব ইন্‌ষ্টিটিউট অৱ কোম্পানী ছেক্ৰেটাৰীজ অৱ ইণ্ডিয়াৰ শাখা। শনিবাৰে গুৱাহাটীৰ হোটেল নন্দনত আয়োজিত এখন সংবাদ মেলত আই চি এছ আইৰ সভাপতি অতুল মেহতাই এই কথা সদৰী কৰে। সংবাদ মেলত মেহতাই কয়— উত্তৰ-পূৰ্বাঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে কোম্পানী ছেক্ৰেটাৰী পঢ়িবৰ বাবে বাহিৰলৈ যাব লগা হয়। বাহিৰত অধ্যয়ন কৰিবলৈ গৈ ছাত্ৰ-ছাত্ৰীয়ে বহু ধন খৰচ কৰিব লগা হয়। গুৱাহাটীত শীঘ্ৰে আই চি এছ আইৰ শাখা প্ৰতিষ্ঠান খোলাৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ জৰিয়তে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীয়ে কম খৰচতে অধ্যয়নৰ সুবিধা লাভ কৰিব। চৰকাৰী ক্ষেত্ৰত নহ'লেও ব্যক্তিগত ক্ষেত্ৰত নিযুক্তি লাভ কৰিব পাৰিব। সংবাদ মেলত পংকজ জৈন, বিমান দেৱনাথকে ধৰি কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে।